# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-June-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ব্ৰহ্মপুত্ৰৰ সুৰংগ পথ, কাজিৰঙাৰ এলিভেটেড ক'ৰিড'ৰ সন্দৰ্ভত আলোচনা।

২। বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি ৫ জুনত ৰাজ্যত ১ কোটি গছপুলি ৰোপণৰ বাবে ৰাজ্য চৰকাৰৰ লক্ষ্য নিৰ্ধাৰণ।

৩। ৰাজ্য চৰকাৰৰ সুলভ মূল্যৰ সামগ্ৰী যোগান আঁচনি আগষ্টৰ পৰা পুনৰ আৰম্ভ হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৪। দেশত পেট্ৰ'ল-ডিজেল পৰ্যাপ্ত পৰিমাণে মজুত থকা বুলি পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ সচিবৰ মন্তব্য।

*আৰু*

৫। জি এণ্টাৰটেইনমেণ্টৰ বিভিন্ন চেনেলত ফিফা বিশ্বকাপৰ খেল সম্প্ৰচাৰৰ বাবে চুক্তিবদ্ধ।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীক সৌজন্যমূলক সাক্ষাৎ কৰি আলোচনাত মিলিত হয়। ৰাজ্যৰ অৰ্থনৈতিক আন্তঃগাঁথনি ক্ৰীড়া, স্বাস্থ্যৰ শক্তিখণ্ডক নতুন গতি দিয়াৰ লক্ষ্যৰে মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় মন্ত্ৰীসকলক সাক্ষাৎ কৰি বিষয়সমূহ সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণক নতুন দিল্লীত সাক্ষাৎ কৰি ৰাজ্যখনৰ বিকাশৰ গতি সম্পৰ্কে অৱগত কৰে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে কয়, যে নিজৰ সততা আৰু নিষ্ঠাৰে জনসেৱাৰ ক্ষেত্ৰত নজিৰ সৃষ্টি কৰা ৰাধাকৃষ্ণণক সাক্ষাৎ কৰাটো এটা শিক্ষণৰ অভিজ্ঞতা বুলি ক'ব পাৰি। মুখ্যমন্ত্ৰীয়ে অনাগত সময়তো উপ-ৰাষ্ট্ৰপতিগৰাকীৰ পৰামৰ্শ আৰু সহযোগিতা কামনা কৰে। তেওঁ কেন্দ্ৰীয় মন্ত্ৰী পীযুষ গোৱেলকো কালি সাক্ষাৎ কৰে। ড০ শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মাণ্ডাভিয়া, জে পি নাড্ডা, হৰদ্বীপ সিং পুৰী আৰু নীতিন গাডকাৰীকো সাক্ষাৎ কৰে। কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে হোৱা আলোচনাত মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৰাজ্যত ৰূপায়ণ হৈ থকা কেইবাটাও আঁচনি সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমত প্ৰকাশ কৰা মতে দুয়োগৰাকীয়ে এই বৈঠক কালত ব্ৰহ্মপুত্ৰৰ তলেৰে সুৰংগ পথ নিৰ্মাণ, কাজিৰঙাৰ এলিভেটেড ক'ৰিড'ৰ, ৰাষ্ট্ৰীয় ঘাইপথৰ সম্প্ৰসাৰণ আৰু মেৰামতি সন্দৰ্ভত বিশেষভাৱে আলোচনা কৰে। এই বৈঠকত বৈদেশিক ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, অসম ভৱনৰ আবাসীক আয়ুক্ত কবিতা পদ্মনাভনো উপস্থিত থাকে। আনহাতে স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাক সাক্ষাৎ কৰি ৰাজ্যৰ স্বাস্থ্যখণ্ডত বিকাশৰ বাবে মুখ্যমন্ত্ৰীয়ে নিৰন্তৰ প্ৰচেষ্টাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

ইপিনে, ৰাজ্যখনক দেশৰ ক্ৰীড়াৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতা কামনা কৰিছে। মুখ্যমন্ত্ৰীয়ে কালি কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ তথা যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মাণ্ডাভিয়াক সাক্ষাৎ কৰি অসমৰ ক্ৰীড়াক্ষেত্ৰৰ আন্তঃগাঁথনি উন্নয়ন সন্দৰ্ভত আলোচনা কৰে। সামাজিক মাধ্যম এক্সত দিয়া বাৰ্তাত মুখ্যমন্ত্ৰীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে বিজেপিয়ে **সেৱা প্ৰথম** মনোভাৱেৰে কাম কৰি

আহিছে। ডº শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী মাণ্ডাভিয়াৰ জন্মদিন উপলক্ষে তেওঁৰ বাসগৃহত সাক্ষাৎ কৰি শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে অসমৰ ক্ৰীড়াক্ষেত্ৰৰ উন্নয়নৰ সৈতে জড়িত বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰে। উল্লেখযোগ্য যে অসম চৰকাৰে ৰাজ্যখনৰ ক্ৰীড়া আন্তঃগাঁথনি বিকাশ কৰি ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি চলাইছে। তদুপৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা ক্ৰীড়া প্ৰতিভা বিকশাই তোলাৰ বাবেও চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। উল্লেখযোগ্য যে আজি দিল্লী ভ্ৰমণ সামৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা গুৱাহাটী উপস্থিত হ'ব। অহা ৫ জুনত মুখ্যমন্ত্ৰীগৰাকীয়ে মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰিব।

০০০০০০

অহা ৫ জুনত বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি ৰাজ্যখনত প্ৰায় ১ কোটি গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। আত্মসহায়ক গোটসমূহৰ ৩৫ লাখতকৈও অধিক মহিলাক এই গছপুলি ৰোপণ অভিযানৰ সৈতে জড়িত কৰোৱা হ'ব। ৰাজ্য চৰকাৰে বৃহৎ পৰিসৰৰ বনানিকৰণ, বনাঞ্চল পুনৰ উদ্ধাৰৰ পদক্ষেপ, স্বচ্ছ শক্তিৰ প্ৰসাৰ, আধুনিক প্ৰযুক্তিৰ একত্ৰিকৰণৰ জৰিয়তে পৰিৱেশ সুৰক্ষা আৰু বহনক্ষম উন্নয়নক ধাৰবাহিকভাৱে অগ্ৰাধিকাৰ দিয়াৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ প্ৰস্তুতিৰ বাবে কালি গুৱাহাটীত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে সংসদীয় পৰিক্ৰমা মন্ত্ৰী অতুল বৰাই এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰাৰ লগতে সঠিক নিৰীক্ষণ ব্যৱস্থাৰে অভিযান সফল কৰি তুলিবলৈ বিভাগীয় বিষয়াসকলক মন্ত্ৰী বৰাই নিৰ্দেশ দিয়ে। এই বৈঠকতে লাখপতি বাইদেউ আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনাও কৰা হয়। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত ৰূপায়ণ হৈ থকা চৰকাৰৰ জনকল্যাণমূলক কাৰ্যসূচীসমূহৰ অগ্ৰগতি সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়। কালিৰ এই বৈঠকত বিভিন্ন বিভাগৰ মুখ্য সচিব আৰু বিষয়াসকল উপস্থিত থকাৰ লগতে পৰিৱেশ আৰু বন বিভাগৰ অতিৰিক্ত প্ৰধান মুখ্য বন সংৰক্ষক হিৰ্দেশ মিশ্ৰও উপস্থিত থাকে।

০০০০০০

ৰাজ্য চৰকাৰে যোগান ধৰি থকা সুলভ মূল্যৰ সামগ্ৰীৰ যোগান বন্ধ হৈ যাব বুলি শেহতীয়াকৈ প্ৰকাশ পোৱা বাতৰি সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। চৰকাৰে যোগান ধৰা বিনামূলীয়া চাউলৰ লগতে সুলভ মূল্যত দিয়া মচুৰ দাইল, চেনী আৰু নিমখ যোগানৰ আঁচনি অব্যাহত থাকিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰিছে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰা মতে বৰ্তমান চলি থকা লেখানুদান বাজেটৰ পৰিপ্ৰেক্ষিতত সুলভ মূল্যত মচুৰ দাইল, চেনী আৰু নিমখ যোগানৰ আঁচনিখন চলিত মাহৰ পৰা স্থগিত ৰখা হৈছে। চৰকাৰে পূৰ্ণকালীন বাজেট দাখিল কৰাৰ পাছত অহা আগষ্ট মাহৰ পৰা পুনৰ আঁচনিখন আৰম্ভ কৰা হ'ব। মে' মাহৰ অন্ন সেৱাৰ দিনত বিতৰণ সম্পূৰ্ণ হোৱাৰ পিছত কিছু সংখ্যক সুলভ মূল্যৰ দোকানত ৰৈ যোৱা সামগ্ৰী অন্ত্যোদয়া পৰিয়ালক অগ্ৰাধিকাৰ ভিত্তিত বিতৰণ কৰা হ'ব বুলি খাদ্য আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে প্ৰকাশ কৰিছে। অৱশ্যে এই সময়ছোৱাত ৰাইজৰ বাবে আৱণ্টিত বিনামূলীয়া চাউল বিতৰণ প্ৰতিমাহে অব্যাহত থাকিব বুলিও খাদ্য আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে সদৰি কৰিছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে কালি দেশত পেট্ৰ'ল-ডিজেলৰ মজুত পৰ্যাপ্ত পৰিমাণে থকা বুলি প্ৰকাশ কৰে। পশ্চিম এছিয়াৰ সংকটৰ মাজতো ভাৰতে খাৰুৱা তেল, প্ৰাকৃতিক গেছ আৰু ৰন্ধন গেছৰ যোগান বজাই ৰখাত সমৰ্থ হৈছে। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটিয়া সচিব সুজাতা শৰ্মাই দেশত পৰ্যাপ্ত পৰিমাণে পেট্ৰ'ল-ডিজেল মজুত থকা বুলি কালি আন্তঃমন্ত্ৰালয়ৰ সংবাদমেলত উল্লেখ কৰে। অৱশ্যে কোনো কোনো অঞ্চলত পেট্ৰ'ল-ডিজেলৰ অস্বাভাৱিকভাৱে অধিক বিক্ৰী হোৱাৰ খবৰ অহাৰ পৰিপ্ৰেক্ষিতত এল পি জিৰ সৈতে সম্পৃক্ত ১০ টা গোচৰ ৰুজু কৰাৰ লগতে তিনিজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। যুটীয়া সচিব শ্ৰীমতী শৰ্মাই লগতে কয়, যে ৰাজ্য আৰু

কেন্দ্ৰীয়শাসিত অঞ্চলসমূহত নিৰীক্ষণ আৰু বলৱৎকৰণ ব্যৱস্থা শক্তিশালী কৰিবলৈ আহ্বান জনোৱা হৈছে। মাৰ্চৰ পৰা প্ৰায় ৮ লাখ ৫৬ হাজাৰ পি এন জি সংযোগ গেছৰ সৈতে সংযোগ কৰা হৈছে আৰু ২ লাখ ৯৬ হাজাৰ সংযোগৰ বাবে অতিৰিক্ত আন্তঃগাঁথনি সৃষ্টি কৰা হৈছে। ইফালে, ৰাসায়নিক আৰু সাৰ মন্ত্ৰালয়ৰ সাৰ বিভাগৰ অতিৰিক্ত সচিব অপৰ্না এছ্ শৰ্মাই দেশত বৰ্তমান যথেষ্ট পৰিমাণে সাৰ মজুত আছে বুলি প্ৰকাশ কৰিছে।

০০০০০০

নলবাৰী জিলাৰ মুকালমুৱা থানাৰ অন্তৰ্গত গংগাপুৰত দুৰ্বৃত্তৰ দ্বাৰা সংঘটিত হত্যাকাণ্ডত নিহত ছাত্ৰ নেতা মাধুৰ্য বৰ্মন আৰু গুৰুতৰভাৱে আহত মৃদুমুদ্ৰা ডেকাৰ পৰিয়ালৰ লোকক কালি বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীয়ে সাক্ষাৎ কৰে। গুৰুতৰভাৱে আহত যুৱতীগৰাকী গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে। যুৱতীগৰাকীৰ আশু-আৰোগ্য কামনা কৰাৰ লগতে বিধায়ক শ্ৰী পাটোৱাৰীয়ে অসমীয়া যুৱকক নিৰ্মমভাৱে হত্যা কৰা আৰু অসমীয়া জীয়ৰীক আক্ৰমণ কৰা কাৰ্য সভ্য সমাজত গ্ৰহণযোগ্য নহয় বুলি প্ৰকাশ কৰে। এই সন্দৰ্ভত বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে এইদৰে কয় –

বাইট

বিধায়ক জয়ন্ত মল্লবৰুৱাইও নলবাৰীৰ এই নৃশংস হত্যাকাণ্ড আৰু নিৰ্মম আক্ৰমণৰ ভুক্তভোগী যুৱক-যুৱতীহালৰ পৰিয়ালৰ লোকক সাক্ষাৎ কৰে।

০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড় জিলাৰ টিংখাং বিধানসভা সমষ্টিৰ অন্তৰ্গত হলৌগুড়ি গাঁৱৰ সাতগৰাকী কৃষকে সমূহীয়াভাৱে কৰা পান-১৮ আৰু আষ্টা-৬৮ জাতৰ ধানখেতি পৰিদৰ্শন কৰে। সেউজীয়া পথাৰত উপস্থিত হৈ কৃষক আৰু দাৱনীসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ পৰিশ্ৰম, নিষ্ঠা আৰু আধুনিক কৃষি পদ্ধতিৰ প্ৰতি থকা আগ্ৰহৰ পৰা বিশেষভাৱে অনুপ্ৰাণিত হোৱা বুলি তেওঁ উল্লেখ কৰে। শ্ৰী সোণোৱালে কয়, যে ৰাজ্যৰ কৃষকৰ উন্নতিৰ মাজতে অসমৰ সমৃদ্ধি নিহিত হৈ আছে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে কৃষি আৰু কৃষকৰ উন্নতি সাধনত গুৰুত্ব দিছে বুলি উল্লেখ কৰি শ্ৰী সোণোৱালে কয়, যে কৃষকৰ সমৃদ্ধিয়ে শক্তিশালী অসমৰ ভেটি আৰু কৃষি ক্ষেত্ৰৰ উন্নয়নেই গ্ৰাম্য অৰ্থনীতিৰ মূল চালিকা শক্তি। পৰিশ্ৰমী কৃষকসকলে আত্মনিৰ্ভৰ আৰু বিকশিত অসম গঢ়াৰ সপোনক অধিক শক্তিশালী কৰি তুলিছে বুলি তেওঁ উল্লেখ কৰে। পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীৰ সৈতে স্থানীয় বিধায়ক বিমল বৰা, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ন বৰুৱা, ডিব্ৰুগড় পৌৰ নিগমৰ উপ-মেয়ৰ উজ্বল ফুকন আৰু বহু কেইগৰাকী দলীয় নেতা-কৰ্মী উপস্থিত থাকে।

০০০০০০

শ্ৰীভূমি চহৰৰ বিভিন্ন দীৰ্ঘদিনীয়া নাগৰিক সমস্যাৰ সমাধানৰ লক্ষ্যৰে কালি জিলা আয়ুক্ত কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত প্ৰদীপ কুমাৰ দ্বিবেদীৰ অধ্যক্ষতাত অনুষ্ঠিত এই সভাত শ্ৰীভূমি চহৰৰ জৰাজীৰ্ণ বাট-পথ, ক্ৰমবৰ্ধিত যান-জঁট, পানী নিষ্কাষণ ব্যৱস্থাৰ ক্ৰটি আদিকে ধৰি বিভিন্ন সমস্যা সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে সভাত এই সমস্যাসমূহৰ দ্ৰুত আৰু স্থায়ী সমাধানৰ বাবে প্ৰশাসন, জনপ্ৰতিনিধি আৰু সংশ্লিষ্ট সকলো পক্ষকে সমন্বয়েৰে কাম কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে এখন উন্নত, পৰিষ্কাৰ আৰু সুশৃংখল চহৰ গঢ়ি তুলিবলৈ প্ৰশাসনিক পদক্ষেপৰ লগতে নাগৰিকৰ সক্ৰিয় সহযোগিতা আৰু সচেতন অংশগ্ৰহণো অত্যন্ত গুৰুত্বপূৰ্ণ। সভাত জিলাখনৰ ভালেকেইগৰাকী বিশিষ্ট নাগৰিক, উত্তৰ কৰিমগঞ্জ সমষ্টিৰ বিধায়ক জাকাৰিয়া আহমেদ, পাথাৰকান্দি সমষ্টিৰ বিধায়ক কৃষ্ণেন্দু পাল, দক্ষিণ কৰিমগঞ্জ সমষ্টিৰ বিধায়ক আমিনুৰ ৰছিদ চৌধুৰী, জিলা বিজেপিৰ সভাপতি সঞ্জীৱ বণিক, জিলা কংগ্ৰেছৰ সভাপতি তাপস পুৰকায়স্থ আৰু বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াবৰ্গ উপস্থিত থাকে।

০০০০০০

চলিত বৰ্ষৰ ফিফা বিশ্বকাপৰ খেলসমূহ জি এণ্টাৰটেইনমেণ্টৰ বিভিন্ন চেনেলত সম্প্ৰচাৰ কৰা হ'ব। জি এণ্টাৰটেইনমেণ্টে ২০৩৪ চন পৰ্যন্ত ফিফাৰ সকলো অনুষ্ঠানৰ মিডিয়া চৰ্ত ক্ৰয় কৰিছে। সেই অনুসৰি বিশ্বকাপৰ খেলসমূহ ইউনাইটেড এইট স্পোৰ্টছ লিনিয়াৰ টিভিত সম্প্ৰচাৰ হ'ব। একেদৰে জি ফাইভত খেলসমূহৰ লাইভ ষ্ট্ৰীমিং কৰা হ'ব। আগুৱাৰ ছেভেনটিন বিশ্বকাপৰ খেলসমূহ জিত সম্প্ৰচাৰ কৰা হ'ব। উল্লেখযোগ্য যে অহা ১১ জুনত চলিত বৰ্ষৰ ফুটবল বিশ্বকাপৰ খেলসমূহ আৰম্ভ হ'ব। খেলসমূহ আমেৰিকা, মেক্সিকো আৰু কানাডাত অনুষ্ঠিত হ'ব।

০০০০০০

নলবাৰীত দুৰ্বৃত্তৰ আক্ৰমণত যুৱকৰ মৃত্যু আৰু পৰৱৰ্তী পৰ্যায়ত আৰক্ষীৰ এনকাউণ্টাৰ, নতুন দিল্লীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিভিন্ন মন্ত্ৰীক সাক্ষাৎ, কিংবদন্তি কণ্ঠশিল্পী সুমন কল্যাণপুৰৰ বিয়োগ, ৰাজ্যত পুনৰ বাণিজ্যিক চিলিণ্ডাৰৰ দামবৃদ্ধি - আদি বাতৰিয়ে আজিৰ কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

প্ৰেম প্ৰত্যাখ্যানৰ গইনা লৈ নলবাৰীত দুৰ্বৃত্তই ভাতৃ-ভগ্নীক কৰা আক্ৰমণত এজন যুৱকৰ মৃত্যু হোৱা ঘটনাই অলপতে ৰাজ্য জোকাৰি যায়। পাছলৈ দুৰ্বৃত্তক কৰায়ত্ত কৰিবলৈ যোৱা আৰক্ষীৰ হাতত অভিযুক্তৰো মৃত্যু হোৱাৰ সেই বাতৰিটো আজিৰ প্ৰায় সকলো কাকতেই প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। 'দৈনিক অসম' কাকতত বাতৰিটোৰ শিৰোনাম - "ৰাজপথত হানি-খুচি আছু নেতা মাধুৰ্য বৰ্মনক হত্যা, নলবাৰীত লাভ জেহাদৰ ভয়ংকৰ কাণ্ড' আৰু 'দৈনিক জনমভূমি' কাকতত - 'লাভ জেহাদকেন্দ্ৰিক নৃশংসতা, মাধুৰ্য বৰ্মনৰ হত্যাকলৈ উত্তাল নলবাৰী - এনকাউণ্টাৰত নিহত ছাত্ৰ নেতাৰ হত্যাকাৰী' । দি আছাম ট্ৰিবিউন কাকতেও একেটা বাতৰি 'AASU LEADER KILLED, SISTER INJURED - MURDER ACCUSED GUNNED DOWN IN NALBARI'- শীৰ্ষকেৰে প্ৰকাশ কৰিছে।

কেইবাদিনীয়া চৰকাৰী কাৰ্যসূচীৰে নতুন দিল্লীত উপস্থিত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিভিন্ন কেন্দ্ৰীয় মন্ত্ৰীক কৰা সাক্ষাৎ আৰু আজিৰ ওভতনিকলৈ একোটা বাতৰি কেইবাখনো কাকতৰ প্ৰথম পৃষ্ঠাত স্থান পাইছে। 'অসমক ক্ৰীড়া কেন্দ্ৰ, চিকিৎসা পৰ্যটনৰ প্ৰধান ভেটিৰূপে গঢ়িবলৈ দিল্লীত তৎপৰ মুখ্যমন্ত্ৰী' - শিৰোনামেৰে 'অসমীয়া খবৰ' কাকতে বাতৰিটো প্ৰকাশ কৰিছে। 'নিয়মীয়া বাৰ্তা' কাকতত একেটা বাতৰিৰ শীৰ্ষক - "অসমক দেশৰ ভিতৰতে উন্নত ৰাজ্য কৰাৰ লক্ষ্য - দিল্লীত উপ ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণসহ একাধিক কেন্দ্ৰীয় মন্ত্ৰীক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ" । 'দা ছেণ্টিনেল' কাকতেও বাতৰিটো "CM DISCUSSES THE STATES DEVELOPMENT WITH VICE PRESIDENT, UNION MINISTERS" শীৰ্ষকেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

'আমাৰ অসম' - কাকতে "পুনৰ বাণিজ্যিক চিলিণ্ডাৰৰ দাম বৃদ্ধি, হোটেল-ৰেস্তোৰাত সংকট" শিৰোনামেৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে।

কণ্ঠশিল্পী সুমন কল্যাণপুৰৰ বিয়োগৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে "দেশৰ সঙ্গীতক্ষেত্ৰত সৃষ্টি হ'ল বিশাল শূন্যতাৰ, যশস্বী কণ্ঠশিল্পী সুমন কল্যাণপুৰৰ বিদায়" শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। 'দৈনিক অগ্ৰদূত' কাকতে গুৱাহাটীত আন্তঃৰাজ্যিক জুৱাৰ চক্ৰ উৎখাত কৰাৰ বাতৰি এটা -"IPL জুৱাত ব্যৱহৃত বৃহৎ পৰিমাণৰ অলংকাৰ - ২৬স্থানৰ ভূমিৰ নথি জব্দ" - শীৰ্ষকেৰে আজি আগস্থান দিছে।

oooooo

অহা ৫ জুনত অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হ'ব। খানাপাৰাৰ জ্যোতিবিষ্ণু সাংস্কৃতিক প্ৰেক্ষাগৃহত এই শপতগ্ৰহণ অনুষ্ঠানৰ আয়োজন কৰা হ'ব বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক নতুন দিল্লীত সাক্ষাৎ কৰাৰ পাছতে এই কথা ঘোষণা কৰে।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ কোনো কোনো অংশত পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

*ঃঃ সমাপ্ত ঃঃ*